# ছিপাঝাৰ মহাবিদ্যালয়

# আলোচনী



সম্পাদক অজিত কুমাৰ শৰ্মা

1997 - 98

## সম্পাদনা সমিতি

**সভাপতি**
অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ

**তত্ত্বাৱধায়ক**
মুকুল কুমাৰ চহৰীয়া

**সম্পাদক**
অজিত কুমাৰ শৰ্মা

**সদস্য**
অধ্যাপক ড° ৰাম চন্দ্ৰ ডেকা
অধ্যাপিকা মালিনী নায়াৰ
অধ্যাপিকা- চুলতানা ৰেজিয়া
বিপুল ডেকা
কল্প ডেকা
সমৰেন্দ্ৰ কলিতা
জুৰি ৰাণী চহৰীয়া
দিপ্তী দেৱী
বেটুপাত - পৰিকল্পনা- সুৰেশ কুমাৰ।
শিল্পী - অজিত কুমাৰ শৰ্মা।

ছপাঃ- জেনিথ জেৰক্স এণ্ড কমপিউটাৰ চেণ্টাৰ
ড° বি.কে. কাকতি ৰোড,
উলুবাৰী, গুৱাহাটী - ৭।

**বিশেষ কৃতজ্ঞতা স্বীকাৰ**
সম্পাদনা সমিতি
শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দ
প্ৰেছ- জেনিথ জেৰক্স এণ্ড কমপিউটাৰ চেণ্টাৰ,
উলুবাৰী। ষ্টুডিঅ কুসুম,
মহাবিদ্যালয় ছাত্ৰ সন্থা
লেখক-লেখিকা/ছাত্ৰ-ছাত্ৰী,বন্ধু-বান্ধৱীসকল।

## উচৰ্গা



সুৰৰ মূৰ্ছনাৰে গীতৰ ঝংকাৰ তুলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ
পৰা আমাৰ মহাবিদ্যালয়লৈ স্বৰ্ণ পদকেৰে গৌৰৱৰ
সফুঁৰা অনা অকালতে মৃত্যুক আকোঁৱালী
লোৱা সু-কণ্ঠী গায়িকা প্ৰাক্তন ছাত্ৰী
স্বৰ্গীয় উষা ৰাণী নাথৰ স্মৃতিত
এই সংখ্যা আলোচনী
উচৰ্গা কৰা হ'ল।
সম্পাদক

### - অশ্ৰু অঞ্জলী-

বিগত বছৰটোত আমাৰ মাজৰ পৰা চিৰ দিনৰ বাবে আতৰি যোৱা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা কণ্ঠশিল্পী উষাৰাণী নাথ, মহাবিদ্যালয় প্ৰতিষ্ঠাৰ একনিষ্ঠ বিশিষ্ট কৰ্ম্মী পূৰ্ণৰাম বৰুৱা, হিতাকাঙ্খী হংসধৰ কলিতা, মহিৰাম চৌধুৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, টংলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়া, কণ্ঠশিল্পী ৰিদীপ দত্তৰ লগতে স্বজাতিৰ কল্যাণাৰ্থে মৃত্যুক সাৱটি লোৱা জ্ঞাত-অজ্ঞাত সকলোৰে সোঁৱৰণত অশ্ৰু-অঞ্জলী যাচিছোঁ।

সম্পাদক

# তত্ত্বাৱধায়কে কব খোজে ◆◆◆

শিল্পীসাহিত্যিকৰ জন্ম হয়, সৃষ্টি কৰা নহয়। অৱশ্যে ঘহোঁতে-ঘহোঁতে শিল ক্ষয় যায়, অভ্যাসে কাণৰ বিন্ধাৰেও শৰ মাৰিব পৰা কৰি তোলে। আচল কথা হ'ল সাধনা আৰু চেষ্টা অব্যাহত ৰাখিব পাৰিলে নোৱাৰাৰ কাৰণ নাই। এবাৰত নহব, দুবাৰত নহব, তৃতীয় বাৰত সি নোহোৱাকৈ নাথাকিব; এশবাৰত হলেও সি হৈ উঠিব।

মানুহৰ আবেগ আছে, অনুভূতি আছে, কল্পনা আছে; মাথোন মানুহ অনুসাৰে ই সুকীয়া। ইয়াক কলাত্মক ৰূপত ফুটাই তুলি আনৰ হৃদয়ত সাঁচ বহুৱাব পৰাতহে শিল্পী-সাহিত্যিকৰ কৃতিত্ব। ন-শিল্পী বা ন-লিখাৰু সকলৰ বাবে ই অতি কঠিন আৰু দুৰূহ প্ৰচেষ্টা। অৱশ্যে একে দিনাই বিখ্যাত আৰু বহুত কিবা কিবি হব বিচৰাটোও তেওঁ সকলৰ উদ্দেশ্যত ঠাই পাব নালাগে।

এজন সু-নাগৰিক, কিম্বা সু-শিল্পী, কিম্বা সু-সাহিত্যিকৰ অথবা সমাজৰ অন্য দিশত পদক্ষেপ দিব বিচৰা নতুন পুৰুষৰ ব্যক্তিত্বত, ছাত্ৰ অৱস্থাতেই তাৰ পূৰ্বাভাস ফুটি উঠে। অৱশ্যে পৰিবেশ আৰু পৰিস্থিতিয়েও এই দিশত প্ৰভাৱ পেলায়। ভৱিষ্যৎ যদি এজন সু-সাহিত্যিক হোৱাৰ মানসিকতা নতুন পুৰুষ তথা-ছাত্ৰ-ছাত্ৰীৰ মনত জাগ্ৰত হয় তেনেহলে এই মানসিকতাৰ দুৱাৰ মুকলি কৰাৰ সুবৰ্ণ সুযোগ দিয়ে স্কুল-মহাবিদ্যালয়ৰ মুখপত্ৰ সমূহৰ উকাপাত বোৰে। অৱশ্যে তেওঁলোকে মনত ৰখা ভাল হব যে অধ্যয়ন আৰু অভিজ্ঞতা অবিহনে এজন জনপ্ৰিয় সাহিত্যিক হোৱাতো যেনেকৈ কঠিন ঠিক একেদৰে যি সাহিত্যিত প্ৰকৃতিৰ সুবাস নাই, যি সাহিত্যত মাটিৰ গোন্ধ উপেক্ষিত হয় সেই সাহিত্যৰ স্থায়িত্বও ক্ষন্তেকীয়া হয়।

এই বেলি মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ বাবে তত্ত্বাৱধায়কৰ দায়িত্ব গ্ৰহণ কৰি আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব পাই নিজকে মুক্ত হোৱা যেন লাগিছে। এই ক্ষেত্ৰত সম্পাদক শ্ৰী অজিত কুমাৰ শৰ্মাৰ দায়িত্ব বোধক স্বীকাৰ কৰিছোঁ। লগতে জেনিথ প্ৰেছৰ সমূহ পৰিয়াল বৰ্গই যি সহানুভূতিৰে খুব কম দিনৰ ভিতৰত আলোচনীখন ছপা কৰি উলিয়াই দিলে, এই খিনিতে তেখেতসকললৈ আমাৰ শলাগ যাঁচিলো।

ধন্যবাদ

মুকুল কুমাৰ চহৰীয়া



সম্পাদকৰ কলমেৰে —

এটা জাতিৰ সাহিত্য, সেই জাতিটোৰ দাপোন স্বৰূপ। সেয়ে এটা জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰে সেই জাতিটোৰ ভাষা-সাহিত্য সংস্কৃতিৰ ওপৰত। তাক আজি আকৌ মই পুনঃমূল্যায়ন কৰিব বিচৰা নাই। যদি সাহিত্যই জাতি এটাক ধুই-মচি পবিত্ৰ আৰু নিকা কৰিব পাৰিলেহেঁতেন তেনেহ'লে এই কুৰি শতিকাৰ শেষভাগত জীৱশ্ৰেষ্ঠ মানৱ জাতি দুৰ্নীতি, হত্যা, ধৰ্ষণ ভীতি প্ৰদৰ্শন, অবাধ অত্যাচাৰেৰে জনজীৱন অতিষ্ঠ নহলহেঁতেন। জীৱন আৰু গণতান্ত্ৰিক অধিকাৰক লৈ হেতালি খেলাৰ সাহস নকৰিলেহেঁতেন।

আজি সমাজ জীৱনৰ প্ৰতিটো মূহুৰ্ততে দেখা দিছে চৰম বিপৰ্য্যয়ে। যিমানে মানৱ জাতি সভ্যতাৰ শিখৰলৈ অগ্ৰগতিৰে গৈ আছে আমাৰ মাজত নোহোৱা হৈ আহিছে আধ্যাত্মিক চিন্তা-চৰ্চ্চা আৰু মানৱীয় ধ্যান ধাৰণাৰ মূল্যবোধ। তথাপি আমি আশাবাদী। স্বদেশ স্বকাল জীৱন আৰু জগতক মুকলি মনেৰে বিচাৰ কৰাৰ সুযোগ আমি গ্ৰহণ কৰিব লাগিব আৰু হব লাগিব ভাৰতীয় দৰ্শন আৰু মানৱীয় মূল্যবোধৰ পূণঃমূল্যায়ন তেতিয়াহে মানৱ জাতিৰ মাজত দেখা দিয়া সামাজিক ব্যাধিবোৰ দূৰ হ'ব।

এখন বিদ্যালয় নতুবা মহাবিদ্যালয়ৰ আলোচনী, প্ৰাচীৰ পত্ৰিকা আদিত ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চাৰ আৰম্ভণী কৰি সাহিত্য জগতত প্ৰতিস্থিত সাহিত্যিক হিচাপে নিজৰ স্থিতি দৃঢ় কৰাৰ উদাহৰণ বিচাৰিলে অনেক পোৱা যায়। গতিকে ছাত্ৰাৱস্থাৰ পৰাই যদি আমি কবিতা গল্প, প্ৰৱন্ধ লিখাৰ অভ্যাস কৰো তেনেহলে বয়স বৃদ্ধিৰ লগে লগে আমি নিজকে সু-প্ৰতিষ্ঠিত বৌদ্ধিক প্ৰতিভা হিচাপে নিজৰ চিনাকী দিব পাৰিমহঁক।

বৰ্তমানৰ সাহিত্যৰ ধাৰাটো কল্পনাৰ পৰা ফালৰি কাটি অধিক বাস্তৱবাদী হৈ উঠিছে। আজিৰ সাহিত্যত বাস্তৱ সমস্যা সমুহৰেই প্ৰতিফলন। সমাজমুখী বাস্তৱ সাহিত্যৰ ধাৰাটোক আগবঢ়াই নিয়াত আমিওঁ অৰিহনা যোগাবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ আহক।

ধন্যবাদেৰে

অজিত কুমাৰ শৰ্মা

সম্পাদক

আলোচনী বিভাগ

## ব্যস্ততাৰ মাজত আমাৰ অধ্যক্ষ



মাননীয় শ্ৰীযুত ৰেৱণ চন্দ্ৰ নাথ

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| **সম্পাদকৰ কলমেৰে** | | |
| **প্ৰবন্ধ ঃ** | | |
| শিল্পী তুমি অজয় অমৰ | অধ্যক্ষ বেৰন চন্দ্ৰ নাথ | ১ |
| দৰঙীয়া লোকসংগীতত চিয়াগীত | শ্ৰী উষা ৰাণী দাস | ৩ |
| সত্ৰীয়া নৃত্যৰ শাস্ত্ৰীয় ৰূপ | শ্ৰী হেমেন নাথ | ৬ |
| হাঁহি কান্দোন আৰু কাজিয়া | শ্ৰী গৌতম কুমাৰ বৰুৱা | ৮ |
| এইড্ছ ঃ এক স্বাস্থ্যজনিত প্ৰত্যাহ্বান | এম মতিউৰ ৰহমান | ১০ |
| প্ৰাক্তন তত্ত্বাবধায়কৰ কলমৰ পৰা | দেৱব্ৰত বৰদলৈ | ১৪ |
| **গল্প ঃ** | | |
| আৱদ্ধ কোঠাত শাশ্বত পলাশ | দীজেন কুমাৰ নাথ | ১৮ |
| হৃদয় | চন্দ্ৰ কান্ত ডেকা | ২০ |
| অৱৰ্তমান | সুৰেশ কুমাৰ | ২২ |
| এচপৰা ক'লা ডাৱৰ | অভিজিৎ হাজৰিকা | ২৩ |
| বৰদৈচিলা | দীপ্তি শৰ্মা | ২৫ |
| **একাংক নাট ঃ** | | |
| ওঁ নমঃ শিৱায় | জল্টি বৰুৱা | ২৮ |
| **কবিতা শিতান ঃ** | | ৩৩-৪০ |
| **English Section :** | | |
| Historical Development of Abnormality | Deka Hemjyoti | ৪২ |
| Chritopher Marlowe And His Genius | Deka Mahesh | ৪৫ |
| Assam : Strategy for Economic Devl. | Madan Mohan Nath | ৪৮ |
| **Poem** | | ৫১-৫২ |
| **Best Thought** | | ৫৩ |
| বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন | | ৫৪-৬০ |
| মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল। | | ৬১-৬৪ |




# শিল্পী তুমি অজৰ-অমৰ

(মৰমী ছাত্ৰী উষাৰাণী নাথৰ পৱিত্ৰ স্মৃতিত)

**শ্ৰী বেৰণ চন্দ্ৰ নাথ**
**অধ্যক্ষ**

১৯৯৮ চনৰ ২৩ চেপ্তেম্বৰ। হঠাতেই স্তব্ধ হৈ গ'ল এটি কোকিল কণ্ঠ, মাৰ গ'ল এটি মিঠা হাঁহি। আকাশে বতাহে অনুৰণিত হ'ল শিল্পী উষা আৰু নাই। মৰ্ম্মাহত হলো মই, ম্ৰিয়মান হৈ পৰিল মোৰ মহাবিদ্যালয় শিক্ষক-কৰ্মচাৰী-ছাত্ৰ-ছাত্ৰী আৰু সংস্কৃতি প্ৰেমী হেজাৰ হেজাৰ ৰাইজ। চিৰ সুন্দৰৰ পূজাৰী উষাক অকালতে লৈ গ'ল চিৰ সুন্দৰে। অভাৱনীয় বা মৃত্যুত চকুলো টুকিলে হেজাৰ-বিজাৰ সঙ্গীত প্ৰেমী শ্ৰোতা বন্ধু-বান্ধৱীয়ে। কিন্তু মৃত্যুক জয় কৰি সকলোৰে প্ৰাণে প্ৰাণে ৰৈ গ'ল শিল্পী উষাৰ সুৰ-সঙ্গীতৰ মধুৰ মুৰ্চ্ছনা। সকলোৰে মুখে মুখে মাথোন একেই কথা 'এটি মহান প্ৰতিভাৰ অকাল মৃত্যু হ'ল।

জন্মঃ- স্বৰ্গীয় উষাৰাণী নাথৰ জন্ম হয় দৰং জিলাৰ লোক্ৰাই মৌজাৰ ছিপাঝাৰৰ নিকটস্থ বছাচুবা গাওঁত। তেওঁৰ পিতৃ শ্ৰীধনেশ্বৰ নাথ আৰু মাতৃ শ্ৰী অময়া দেৱী।

শিক্ষাঃ- তেওঁ শিক্ষা জীৱনৰ পাতনি মেলে গাৱৰে বছাচুবা প্ৰাথমিক বিদ্যালয়ত। তাৰ পিচত ১৯৭৬ চনত ভৰ্ত্তি হয় পকাদলি উচ্চ মাধ্যমিক বিদ্যালয়ত। ১৯৮৩ চনত উক্ত বিদ্যালয়ৰ পৰা দ্বিতীয় বিভাগলৈ তেওঁ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ কলেজীয়া উচ্চ শিক্ষা গ্ৰহণ কৰে ছিপাঝাৰ মহাবিদ্যালয়ত। ১৯৮৬ চনত উচ্চতৰ মাধ্যমিক আৰু ১৯৮৯ চনত অসমীয়া গুৰু পাঠ্যক্ৰম সহঃস্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৯২ চনত স্বামী গৃহৰ পৰা তেওঁ অসমীয়াৰ স্নাকোত্তৰ ডিগ্ৰী লাভ কৰে।

বিবাহঃ- ১৯৮৮ চনত উষাৰাণী নাথ বিবাহ পাশত আৱদ্ধ হয় গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিষয় শিক্ষক আৰু মহৰীপাৰা গাওঁ নিবাসী শ্ৰী ৰমেশ চন্দ্ৰ নাথৰ সতে। পাৰস্পৰিক ভাল পোৱাৰ মাজেৰেই সম্পাদিত হয় এই বিবাহ। বৈবাহিক জীৱনত দুয়ো সুখী আছিল বুলি কব লাগিব। যুগ্ম মিলনৰ সাক্ষী স্বৰূপ দুগৰাকী কন্যা সন্তানক মাউৰা কৰি তেওঁ অকালতে যাবলগীয়া হয়।

চাকৰিঃ- তেওঁ শিক্ষয়িত্ৰী হিচাপে মহৰিপাৰা গাৱত প্ৰতিষ্ঠিত যোগী সত্যানন্দ ছোৱালী হাইস্কুলত যোগদান কৰে ১৯৮৯ চনত। মৃত্যুৰ সময়লৈকে তেওঁ এই বিদ্যালয়ত সুখ্যাতিৰে শিক্ষকতা কৰি আছিল।

কলা-কৃষ্টিৰ সাধনা আৰু প্ৰতিভা বিকাশঃ-

মানৱ জীৱন ক্ষনভঙ্গুৰ হলেও স্বকীয় প্ৰতিভা আৰু কৃতিত্বৰে সময়বালিত অনেকেই খোজ থৈ যাবলৈ সক্ষম হয়। উষাৰাণী নাথৰ কৃষ্টি-সংস্কৃতিৰ সাধনা এক জন্মগত স্বত্ব বুলি কব লাগিব। কৈশোৰ আৰু যৌৱনৰ মাথোন কেইটিমান দিনতেই সুন্দৰৰ সাধনাৰে এই শিল্পী গৰাকীয়ে জনসমাজৰ হৃদয় অধিকাৰ কৰি দি গ'ল সুৰ-সঙ্গীতৰ প্ৰাণস্পৰ্শী সুৰৰ ঝঙ্কাৰ। শিল্পী মৃত্যুহীন, উষাৰো মৃত্যু নাই। তেওঁৰ হাঁহি ভৰা কোকিল কণ্ঠত নিনাদিত হোৱা সুৰ-লালিতা সদায়েই ৰৈ বৈ আছে আৰু থাকিব জনসমাজৰ প্ৰাণে প্ৰাণে। তেওঁৰ এই সাধনাৰ গুৰি ঘৰৰ পৰিবেশ আৰু পিতৃ দেৱতা বুলি কব পাৰি। কিয়নো পিতৃ শ্ৰী ধনেশ্বৰ নাথ গাওঁৰ যাত্ৰা পাৰ্টিৰ হাৰমোনীয়াম বাদক। ঘৰখনত তেওঁ সৃষ্টিকৰা সঙ্গীতৰ পৰিবেশে সততে অনুপ্ৰাণিত কৰিছিল শিল্পী উষাক। তাৰবাবেই উষাই গীত গাবলৈ আৰম্ভ কৰিছিল শৈশৱৰে পৰা।

পকাদলি উচ্চ মাধ্যমিক বিদ্যালয়ত উষাৰাণী নাথ আহে মোৰ ব্যক্তিগত সান্নিধ্যলৈ এগৰাকী সুগায়িকা ছাত্ৰী হিচাপে। গায়ক নহলেও মই গীত লিখো, সুৰ দিও আৰু গাইছিলো কেতিয়াবা। সেয়ে উষাহঁতৰ হতুৱাই মোৰ গীতবোৰ গোৱাইছিলো তাইৰ সঙ্গীত সাধনাত সদায় শিক্ষাগুৰু হিচাপে সহায় কৰি দিছিলো। প্ৰকান্তৰে পকাদলি উচ্চ মাধ্যমিক বিদ্যালয়খনিয়েই উষাৰ কলা-কৃষ্টি সাধনা আৰু বিকাশৰ মূল ভেঁটি বুলি কব পৰা যায়। বিদ্যালয়ৰ বঁটা বিতৰণী সভাকে ধৰি গোটেই অঞ্চলটিত অনুষ্ঠিত সঙ্গীত প্ৰতিযোগীতাত উষা প্ৰায়ে আছিল প্ৰথম আৰু শ্ৰোতা দৰ্শকৰ আনন্দৰ খোৰাক যোগাইছিল তাই। দৰং জিলাৰ বিদ্যালয় সমূহত

টুৰ্ণামেন্টত আনবোৰৰ সতে উষাক লৈ গৈছিলো মঙ্গলদৈ, কালাইগাওঁ, টংলা আদি স্থানলৈ। শ্ৰোতা ৰাইজক আমোদ দি আমালৈ প্ৰতিবাৰেই কঢ়িয়াই আনে প্ৰায় প্ৰত্যেক গীততেই প্ৰথম স্থান দখলৰ গৌৰৱ। এই দিশত এই বিদ্যালয়ত ছয়টি বছৰে উষা হৈ পৰিছিল মোৰ আদৰৰ প্ৰিয়তম শিষ্য। এই সময়ছোৱাৰ ভিতৰতে তেওঁ ১৯৭৭ চনত গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ চেমনীয়া চ'ৰাৰ নিয়মীয়া শিল্পী হিচাপে গীত পৰিবেশন কৰে। এই চনতে আকাশবাণী কেন্দ্ৰৰ সৰ্ব্ব প্ৰথমে দৰঙী লোক সঙ্গীত চিয়াগীত পৰিবেশন কৰে শিল্পী উষাৰাণী নাথে।

এই ক্ষেত্ৰত কৰা আমাৰ প্ৰচেষ্টাক সাৰ্থক ৰূপ প্ৰদান কৰি নাথে দৰঙী ৰাইজক গৌৰৱান্বিত কৰে। ১৯৮৬-৮৭ বৰ্ষত তেওঁ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া শিল্পী হিচাপে স্বীকৃতি লাভ কৰে।

১৯৮৪ চনৰে পৰা ১৯৮৯ চনলৈকে উষাৰাণী নাথ ছিপাঝাৰ মহাবিদ্যালয়ৰ এগৰাকী সু-গায়িকা হিচাপে প্ৰতিষ্ঠা লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱমহোৎসৱত এবাৰ লোকগীতত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক আৰু পৰৱৰ্ত্তী বছৰত আধুনিক গীতত দ্বিতীয় স্থান অধিকাৰ কৰি ৰূপৰ পদকেৰে মহাবিদ্যালয়ৰ মুখ উজ্বল কৰে। অকল কলা-কৃষ্টিৰে নহয় শিক্ষাৰ ক্ষেত্ৰতো তেওঁ আগবাঢ়ি গৈছিল সমানে। এই মহাবিদ্যালয়খনিৰ প্ৰতি তেওঁৰ আছিল গভীৰ ভালপোৱা। ১৯৭৭ চনৰ ১৩ ফেব্ৰুৱাৰী পৰা ১৫ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ আটাইকেইটা দিন কাষত কেচুৱা লৈ তেওঁ প্ৰায়বোৰ অনুষ্ঠানতেই যোগদান কৰে। ন-পুৰণি সতীৰ্থ সন্মিলন, মুকলি সভা আৰু ১৫/২/৯৭ তাৰিখৰ সাংস্কৃতিক অনুষ্ঠানত তেওঁ পৰিবেশন কৰা গীতে শ্ৰোতা ৰাইজক মুগ্ধ কৰে। আমি জনা নাছিলো উষাৰ লগত দেখা-দেখি আৰু সুমধুৰ কণ্ঠৰ গীত উপভোগ কৰা আমাৰ বাবে এয়েই শেষ দেখা সাক্ষাত হৈ যাব। তেওঁৰ মৃত্যুৰ এই দিনটিতেই মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত উপস্থিত সকলো শোকাকুল ৰাইজ, শিক্ষক-কৰ্ম্মচাৰী আৰু ছাত্ৰ- ছাত্ৰীয়ে এই আদৰৰ শিল্পীগৰাকীৰ বিদেহী আত্মাৰ চিৰশান্তি কমনা কৰে।

বিবাহৰ পিচতো তেওঁৰ সুৰ সাধনা আৰু বিভিন্ন প্ৰগতিত স্বামী শ্ৰী ৰমেশ নাথৰ অনুপ্ৰেৰণা আৰু যৎপৰোনাস্তি প্ৰচেষ্টা সঁচাকৈয়ে শলাগিবলগীয়া। তাৰ ফলতেই ১৯৯২ চনত গোৰেশ্বৰ গণনাট্য সঙ্ঘৰ জৰিয়তে তেওঁ গুৱাহাটী দূৰদৰ্শনত গীত-মাত পৰিবেশনৰ সুবিধা লাভ কৰে। ছিপাঝাৰ অঞ্চলৰ দৰে গোৰেশ্বৰ অঞ্চলতো শিল্পী গৰাকীয়ে ৰাইজৰ আদৰ আৰু এখন আসন লাভ কৰিবলৈ সক্ষম হয়। উদাহৰণ স্বৰূপে গোৰেশ্বৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ মুকলি সভাত গীত পৰিবেশন কৰি ৰাইজৰ ভুয়সী প্ৰশংসা লাভ কৰে। এই গৰাকী অনাতাঁৰ শিল্পীয়ে অসমত বিভিন্ন মঞ্চ যেনে তেজপুৰৰ প'ল' ফিল্ড, গুৱাহাটীৰ জজ ফিল্ড নলবাৰী, বৰপেটা, চন্দ্ৰপুৰ, মঙ্গলদৈ সৰভোগ আদিত গীত পৰিবেশনেৰে অসমৰ ৰাইজক আনন্দিত কৰে। তেওঁ স্নাকোত্তৰ ডিগ্ৰী লাভ কৰে একমাত্ৰ স্বামীৰ অনুপ্ৰেৰণাৰ ফলতেই। আমাৰ ওচৰত এই দিশত দিহা-পৰামৰ্শ আৰু আৰ্শীবাদ বিচাৰি দুয়ো স্বামী-স্ত্ৰী আমাৰ ঘৰত উপস্থিত হোৱা সেই মধুৰ পৰিবেশ আমি কেতিয়াও পাহৰিব নোৱাৰো।

সঙ্গীত বিদ্যালয়ত অধ্যয়ন কৰিছিল যদিও তেওঁৰ এই প্ৰচেষ্টা বিধাতাৰ নিকৰুণ আঘাটত আধাতেই ৰৈ গ'ল।

সৰুৰে পৰাই উষা আছিল সমাজপ্ৰেমী। এইটো স্বীকাৰ্য্য যে বছাচুবা জনমুক্তি সঙ্ঘই আছিল উষাৰ সাংস্কৃতিক আৰু সামাজিক জীৱনৰ মূল মঞ্চ তথা ভেঁটি। এই সঙ্ঘৰ জৰিয়তে মঞ্চস্থ কৰা বিভিন্ন নাটত তাই অভিনয় কৰাৰ উপৰিও নাচিছিল, গাইছিল আৰু নেপথ্যৰ কণ্ঠদান কৰিছিল। বছাচুবা অসমজ্যোতি মইনা পাৰিজাত আৰু ভাৰতৰ গণতান্ত্ৰিক মহিলা সমিতিৰ (মহৰিপাৱা আঃ কমিটি)ৰ তেওঁ আছিল সক্ৰিয় সদস্য।

সততে বিনয়ী, নিৰহংকাৰী, হাস্যবেদনা, সাৱধানী আৰু সুৰ-সঙ্গীতৰ মধুৰ মূৰ্চ্ছনাতে উন্মনা হৈ থকা উষাৰ ব্যক্তিত্বও আছিল শলাগিবলগীয়া। গুৰু হিচাবে তেওঁৰ পৰা পাবলগীয়া সু-ব্যৱহাৰ পাতিৰ বাবে উষা আমাৰ দৰে সম্ভৱতঃ সকলো শিক্ষাগুৰুৰে মনত চিৰ সজীৱ হৈ আছে আৰু থাকিব।

কালে এই মহৎ সম্ভাৱণাময়ী শিল্পী গৰাকীৰ ক্ষনভঙ্গুৰ দেহটি হৰি নিলেও তাইৰ কোকিল কণ্ঠৰ নিনাদিত ঢউ কোনো কালে মাৰ নিয়াব নোৱাৰে। সুৰ লালিতাই সকলোৰে মাজত তেওঁক চিৰ সজীৱ আৰু জাগ্ৰত কৰি ৰাখিব।

মৰমী উষাৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক আৰু এই বোকাৰ পদুম পাহিত সুঘ্ৰাণে নতুন প্ৰজন্মৰ অনুপ্ৰাণিত কৰি থাকক; শেষত এই কামনা একান্তই ৰাখিলোঁ।



# দৰঙীয়া লোকসংগীতত "চিয়াগীত"

উষাৰাণী নাথ
স্নাতক তৃতীয় বাৰ্ষিক

লোককৃষ্টি বা লোককলাৰ উৎপত্তিস্থল হ'ল ঃ কোলাহলপূৰ্ণ নগৰীয়া জীৱণৰ দূৰ নিলগত থকা সহজ সৰল চহা জীৱণ। চহা জীৱনৰ সুখ-দুখ, হৰ্ষ-বিষাদ, আনন্দ-উল্লাস, অভিব্যক্তি পৰিস্ফুত হয় লোককলা বা লোকসংস্কৃতিৰ মাজেদি। এনে বহু লোকশিল্পী বা লোককলাৰ সাধক কালৰ বুকুত অজানিত ভাৱেই বা অপ্ৰতিষ্ঠিত ভাৱেই নিঃশেষ হৈ গলেও লোককলাৰ সাধক সকলেই জনসাধাৰণৰ বুজন অংশক আহলাদিত কৰি জটিল সংসাৰ যাত্ৰাৰ পৰা অব্যাহতি পোৱাৰ কিঞ্চিত হলেও সুবিধা দান কৰে। প্ৰসংগত উল্লেখযোগ্য যে চহা জীৱনৰ অভিব্যক্তি সমূহৰ মাজত পৰম সত্ত্বাৰ ওচৰত আত্ম নিবেদনৰ কথাটি বাৰু কৈয়ে পৰিলক্ষিত হয়। অৰ্থাৎ ধৰ্মীয় জীৱনৰ লগত চহা জীৱনৰ সকলো কাৰ্য্যৰে নিবিড়তা প্ৰণিধানযোগ্য। আকৌ যেতিয়া কোনো ধৰ্মীয় আলোড়ণে চহা জীৱনক চুই যায়, তেনে সময়তে এক শ্ৰেণীৰ গীত-মাত বা সাংস্কৃতিক উপাদানৰ বৰ্ণাধ্য স্বৰূপটিও যেন উন্মোচিত হৈ পৰে।

অসমৰ ভক্তি আন্দোলনৰ গুৰি ধৰোতা শংকৰ, মাধৱ, আদি মহাপুৰুষ আৰু সন্ত - মহন্ত সকলৰ প্ৰচেষ্টাত গঢ়ি উঠা নৃত্য, গীত, নাট, ভাওঁনা আদিৰ প্ৰাচুৰ্য্যলৈ লক্ষ্য কৰিলে এই কথা সহজতে অনুধাৱণ কৰিব পাৰি।

লোকসংস্কৃতিৰ মেট মৰা ভঁৰাল স্বৰূপ দৰং বা মংগলদৈয়া লোকসংস্কৃতিৰ উপাদান সমূহলৈ লক্ষ্য কৰিলে বিস্ময়ত হতবাক হ'ব লগীয়া হয়। অৱশ্যে চৰ্চা আৰু প্ৰচাৰৰ অভাৱত দৰঙীয়া বা মংগলদৈয়া কলা কৃষ্টি সমূহে এতিয়াও যথাৰ্থ সমাদৰ পোৱা নাই বুলি কব পাৰি। অৱশ্যে দুই এক পূণ্যশ্লোক ব্যক্তিৰ আশা সুধীয়া প্ৰচেষ্টাৰ দ্বাৰা ইয়াৰে এপদ দুপদ সাংস্কৃতিক উপাদানে কিছু পৰিমানে প্ৰচাৰৰ মুখ দেখিবলৈ পাইছে।

দৰঙৰ উল্লেখযোগ্য লোক সংস্কৃতিৰ উপাদন 'চিয়াগীত' সমূহ মূলতঃ ভক্তি ৰস প্ৰধান। চিয়াগীত সন্ত-মহন্ত সকলৰ দ্বাৰা সৃষ্ট এই সাংস্কৃতিক সমূহ বিধে দৰঙীয়া সু-সন্তান দুৰ্গেশ্বৰ নাথ ওজা প্ৰভৃতি বৰেণ্য ব্যক্তিৰ প্ৰচেষ্টাত অসমৰ জন- মানসত লোক সংগীত হিচাপে স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। চিয়া গীত হৈছে বৰখেলীয়া ভক্তিধাৰাত প্ৰচলিত এবিধ ভক্তিমূলক গীত। "চিয়া" শব্দই ভগবানৰ নাম স্মৰণ কৰাকে বুজায়। অষ্টাদশ শতিকাৰ আগভাগত নগা পাহাৰৰ দাঁতি কাষৰীয়া অঞ্চলৰ কোনো এজন মহন্তই আহি মংলদৈৰ পূৰ্ব সীমাত থকা জনজাতি লোকসকলৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। কোনো কোনোৰ মতে এই মহন্তজনৰ নাম আছিল শুকুৰা। অৱশ্যে এই চিয়াগীতবোৰতো শুকুৰা মহন্তৰ কথা উল্লেখ আছে। তেনে এটি গীতৰ কলি তলত উল্লেখ কৰা হ'ল—

অ ৰৈমণী পুৰতে শুকুৰাই ডাকয়
বাজে অষ্টমনিৰ ধ্বনি।
সেই ধ্বনি শুনি জীউই তুতি কৰে
আমাকো লৈ যোৱা বুলি।।

বৰখেলীয়া ভক্তিধাৰাত তিনি প্ৰকাৰৰ অনুষ্ঠান আছে বুলি জনা যায়। সেইকেইটা হৈছে— ভকত সেৱা, মেৰুসেৱা বা মেৰুকৰণি আৰু নগাবেহা। ইয়াৰ মুখ্য ব্যক্তিজনক মহন্ত আখ্যা দিয়া হয়। মহন্তই মুৰত টুপী, ডিঙিত ৰুদ্ৰাক্ষৰ মালা, কপালত মৃৰ্ত্তিকাৰ ফোঁট পৰিধান কৰে। মহন্তক আদৰি আনি চৰণ ধুৱাই সেই পদজল ভকতসকলে পাণ কৰে, শিৰত লয়, আৰু একান্ত চিত্তে তেওঁলোকে গুৰুজনাৰ ওচৰত প্ৰাৰ্থনা জনায়। 'চিয়াগীত' গ্ৰন্থখনত দুৰ্গেশ্বৰ নাথ ওজাদেৱেও ভকত সকলে গুৰুজনাৰ ওপৰত কেনে ভাৱে ভক্তি প্ৰদান কৰিছে, এই কথা তেওঁ গীতেৰেই উল্লেখ কৰিছে। এই গীতসমূহক "আদৰণি "চিয়াগীত" বুলি কোৱা হয়। তলত গীতটোৰ একাংশ উল্লেখ কৰা হ'ল—

'গুৰুজন আহিছে কি লৈ মই সাদৰিম এ

হৰি মোৰ দিবলে নাহিকে একো,
পদুলিৰে পৰা আদৰি আনিয়া এ
হৰি মোৰ ভেলৰ পাৰি দিমে সাঁকো।
ভকত আহিছে পদুলিত ৰইছে এ
লৈবো চৰণৰে ধূলি,
আকোৱালি আনি আসনে বসাইবো এ
মোৰে নিজ বাপ বুলি।"

'ভকত সেৱা' অনুষ্ঠানত তেওঁলোকৰ ৰীতি-নীতি, আচাৰ ব্যৱহাৰৰ মাজেদি সচঙৰ ভিতৰত গুৰু আসন, নৈবদ্যাদি পাতি এই সেৱা কাৰ্য্য সম্পাদন কৰা হয়। 'মেৰু কৰণি' আৰু 'নগাবেহা' এই অনুষ্ঠান দুটিৰ নিয়মবোৰ অলপ বেলেগ ধৰণৰ। এই অনুষ্ঠানটিৰ বাবে চাৰি হাত দীঘল আৰু পুতলকৈ সজোৱা বেদীৰ ওপৰত বগা ৰঙৰ গুৰিৰে মণ্ডলদি, বেদীৰ চাৰিওকোণত চাৰিটা কলপুলি পোতে আৰু ওপৰত চন্দ্ৰতাপ আঁৰি দিয়া হয়। বেদীৰ পিছফালে ধ্বজ বা মেৰু হিচাপে এডাল কলগছ পুতি তাৰ গাত এশগছি বত্তি জ্বলাই ধূপ-ধূনা নৈবদ্যাদি পাতি, সু-সজ্জিত বেদীৰ সোঁ মাজৰ পৰা গুৰু আসনত গৈ মূল মহন্ত গৰাকী বহে আৰু চাৰিজন সিদ্ধ, বাৰজন বৈষ্ণৱ যথাস্থানত বহি কৰণিৰ চিয়া গাই মহন্তৰ গা লৈ ফুল ছটিয়াই ভকতসকলে গায় এইদৰে——

"ৰৈমণী পুৰতে ব্যৱহাৰ পাতিয়া অ
শুকুৰাই লগাইছে মাত।
দেৱতাৰ কৰণি মনুষ্যে আচৰো
বেহাই অময়াৰে হাট।।"

অৱশ্যে 'মেৰু কৰণি' আৰু 'নগা বেহা অনুষ্ঠানদুটিৰ নিয়ম একে হলেও কিছু ক্ষেত্ৰত পাৰ্থক্য দেখা যায়। 'মেৰু কৰণি'ত ভকত-ভকতনীা সকলে গোপ-গোপীৰ ভাওঁ লয়। আনহাতে 'নগা বেহা' অনুষ্ঠানত নগা-নাগিনী সকলে সম্পূৰ্ণ নগা সাজ পিন্ধি নানা নৃত্য ভঙ্গীৰে মেৰুৰ চতুৰ্দিশে প্ৰদক্ষিণ কৰে। ˚ ওজাদেৱৰ লিখনিৰ পৰা গম পোৱা যায় যে 'নগা বেহা' অনুষ্ঠানটি প্ৰকৃততে নগাসকলৰ জাতীয় কৃষ্টিৰ সম্বলিত এটা "ৰূপকাৰ্য্যৰ' অনুষ্ঠান। যিজনা মহন্তই নগা পাহাৰত গৈ নগা সকলৰ ওচৰত ভক্তি ৰস প্ৰদান কৰিছিল সেই জনা মহন্তৰ বিদায়ক্ষণত নগাসকল যে শোকান্বিত হৈ পৰিছিল, এই কথা চিয়া গীতত উল্লেখ কৰিছে এনেদৰে ———

অ চৈৰাংগৰ বালিতে ৰৈ
নগাই ক্ৰন্দন কৰে অ,
অ প্ৰাণ গোঁসাই
অ প্ৰাণ গোঁসাই আহাৰে।।"

এয়াই হৈছে পূৰ্ণ ধেৰীয়া ভক্তি ধৰ্মৰ আদৰ্শ আৰু দৰঙী লোক সঙ্গীতৰ বাহক চিয়া গীতৰ ঐতিহ্য। অৱশ্যে এটা কথা উল্লেখ কৰিব পাৰি যে 'চিয়াগীত' আৰু আজান ফকীৰৰ জিকিৰ'ৰ মাজত বহুতো সাদৃশ্য দেখা যায়। উদাহৰণৰূপে-

"দুনীয়া এদিনৰ দুনীয়া দুদিনৰ
দুনীয়া ফুলনি বাৰী।" (জিকিৰ)

আকৌ ——

"এই সংসাৰ এদিনৰ এই সংসাৰ দুদিনৰ
এই সংসাৰ ফুলনি বাৰী।" (চিয়াগীত)

গতিকে আমি এই গীতবোৰৰ পৰাই গম পাওঁ যে জিকিৰ আৰু চিয়াগীতৰ মাজত যথেষ্টা মিল আছে।

পিছে এসময়ত দৰং অঞ্চলৰ গাৱঁলীয়া সমাজে অতি বিশ্বাস কৰি অহা পূৰ্ণ ধেৰীয়া আৰু ভাগৱত ধেৰীয়া ভক্তি ধৰ্মৰ



পয়োভৰ ক্ৰমান্বয়ে হ্ৰাস পাই আহিবলৈ ধৰিলে আৰু চিয়াগীত (˚ওজাদেৱৰ মতে) প্ৰায় তিনিশ চাৰিশ বছৰ ধৰি মানুহৰ মুখে মুখে চলি অহা এই চিয়াগীতবোৰো পাহৰণিৰ অটল গহ্বৰত হেৰাই যাবলগীয়া হ'ল। এই কথাকে লক্ষ্য কৰি কেইবছৰমান আগৰ পৰা 'ওজাদেৱে উক্ত বিয়াল্লিশটা গীত দৰঙীয়া সন্ত-মহন্তসকলৰ পৰা উদ্ধাৰ কৰে আৰু এইকেইটা গীতেৰেই তেওঁ চিয়াগীতৰ প্ৰথম খণ্ড প্ৰকাশ কৰি উলিয়াই। তেতিয়াৰ পৰাই দৰঙত চিয়াগীতক ভক্তি ৰসমূলক গীত হিচাপে গাই অহা হৈছে।

চিয়াগীতৰ সুৰবোৰ হৈছে শ্ৰুতিমধুৰ। প্ৰথম অৱস্থাত কোনো বাদ্য সংগীত নকৰাকৈয়ে স্তুতি গীত হিচাপে গোৱা হৈছিল। কিন্তু পিছলৈ 'দৰঙী কলা কৃষ্টি উন্নয়ন' সংঘই অন্যান্য 'কলা কৃষ্টি সমূহৰ দৰে এই চিয়াগীত বোৰো থলুৱা সুৰ সঞ্চাৰৰ বিকৃতি নঘটাকৈ যথাযোগ্য বাদ্য সংগত কৰি পৰিবেশন কৰিবলৈ উদ্যত হয়। উল্লেখযোগ্য যে ˚ ওজাদেৱৰেই সু-কন্যা তথা সু-কণ্ঠী গায়িকা শ্ৰী হিৰণ্য প্ৰভা নাথৰ দলে পোন প্ৰথমে গুৱাহাটী আঁনাতাৰ কেন্দ্ৰৰ অ-নিয়মীয়া কাৰ্য্যসূচীযোগে কেইবাটিও চিয়াগীত পৰিবেশন কৰি শ্ৰোতাসকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেতিয়াৰ পৰাই দৰঙত লোক-সংগীত হিচাপে চিয়াগীতে এখন উচ্চ আসন লাভ কৰিবলৈ সমৰ্থবান হৈছে।

পৰিশেষত কব পাৰি যে চিয়াগীত যদিও বৰখেলীয়া ভক্তিধাৰাৰ মাজতেই আৱদ্ধ হৈ আছে তথাপিও আধ্যাত্মিক আৰু সাহিত্যিক মূলবোধৰ ফালৰ পৰা ই অসমৰ বৰ আপুৰুগীয়া সম্পত্তি স্বৰূপ। ইয়াৰ ওপৰত চিন্তা চৰ্চা আৰু গৱেষণা অটুট থাকিলে চিয়াগীতে জনসাধাৰণৰ মাজত তথা ব্যক্তিৰ আধ্যাত্মিক জীৱনত চিয়াগীতে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

:: :: ::

: এই প্ৰবন্ধটি যুগুতাওঁতে শিক্ষকসকল আৰু ˚ দুৰ্গেশ্বৰ নাথ ওজাদেৱৰ দ্বাৰা সম্পাদিত
: "চিয়াগীত" গ্ৰন্থখনৰ সহায় লোৱা হৈছে।

এটি আদৰ্শ লোৱা, ইয়াক জীৱনৰ সংগী কৰা, ইয়াকে চিন্তা কৰা, ইয়াকে সপোন দেখা, ইয়াতেই জীয়াই থাকা আৰু ইয়াতে সন্তুষ্টি লাভ কৰা এয়েই কৃতকাৰ্য্যতাৰ একমাত্ৰ উপায়।

স্বামী বিবেকানন্দ

শিষ্টাচাৰৰ দ্বাৰা প্ৰত্যেক মানুহে জগতত উন্নতি লাভ কৰিব পাৰে। তোমাক যি লাগে তাক তুমি অমৃতৰ দৰে মিঠা কথাৰে আদায় কৰিব পাৰিবা। কিন্তু তৰোৱালৰ বলেৰে নোৱাৰিবা।

উইলিয়াম শ্বেক্সপীয়েৰ

## অপেক্ষা

মীৰা বেগম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মোহাৰি পেলাম মই দুখৰ কবিতা,
গোটেই দেহা পোত গৈ আছে!
মোৰ দুখৰ বোকাতে।
বুকুত বুজাব নোৱাৰা
অস্থিৰ স্পন্দন,
মোৰ আশা মোৰ ভাষা,
মোৰ ভৱিষ্যৎ কাৰ হাতত বন্দী?
সময়ৰ আস্ফালনে,
নিয়ৰত ভিজি ঠন ধৰি উঠা
প্ৰেমৰ সপোনবোৰ এফালৰ পৰা,
মোহাৰি পেলাম।
মই উপেক্ষিতা,
চিৰ প্ৰেমিকাৰ কাৰাগাৰত।।



## বিষাদ ৰাগিনী

পঙ্কজলোচন শইকীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক

মোৰ মন ফুলনি শুৱাই
ফুলিছিল ৰঙা বগা
বৰণীয়া ফুল।
ফুলৰ সুবাসতে
প্ৰাণ মোৰ
হৈছিল আকুল।
হঠাতে আহি
কাল ধুমুহাই
মোহাৰি পেলালে দেহি
হেপাহেৰে ফুলি উঠা
সুকোমল পাহি।
অনাদৰে অৱহেলা
বুকুতে সাৱটি
পালো মাথো বিষাদ ৰাগিনী
অতীত স্মৃতি সুঁৱৰি সুঁৱৰি



## তথাপিও দৌৰিছো তোমাৰ স'তে

হেমাঙ্গী চহৰীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক

মই জানো
তুমি অতি নিষ্ঠুৰ,
উপেক্ষিত মই
তথাপিও দৌৰিছো
তোমাৰ স'তে।
মোৰ দুখৰ কবিতা
এতিয়া ছন্দহীন।
শ্বাশ্বত সত্য
এটি মৰীচিকা
তথাপিও দৌৰিছো
তোমাৰ স'তে।

মানুহবোৰে মোক লৈ
তেজৰ ফাকু খেলে;
এতিয়া তোমাৰ কোলাত
কেৱল মৃত্যুৰ উদ্গীৰণ
তথাপিও দৌৰিছো
তোমাৰ স'তে।

তোমাৰ বাবেইতো
মোৰ বিবেকৰ মৃত্যু,
মোৰ অনাবিল ভৱিষ্যৎ
শংকা আৰু অনিশ্চয়তাত।
তথাপিও দৌৰিছো
তোমাৰ স'তে।

## সন্ধান

তপন নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক


নীলিম আকাশৰ তলত বহি
শৰতৰ সন্ধিয়া
আপোনমনে
কোনোবা অজান
পথিকক বিচাৰি
এইবিশাল বিশ্বত
হেৰাই যোৱা মোৰ
য'ত আপোন সুৰ
তাৰেই সন্ধানত
আছো বহি।



## “অনুভৱৰ ছাঁয়া”

কৰবী বৰুৱা
স্নাতক ৩য় বাৰ্ষিক

দূৰৈত জিলিৰ ছি-ছিয়নী
মাতত কম্পন
“আহিব তাৎক্ষণিক সংকেত’।
তেজ আৰু ধোঁৱাৰ ছায়াময় অস্থিৰতা
বিলীন হব সকলো।
নিশাৰ এন্ধাৰ ফালি,
সুৰুযেও ভুমুকি মাৰিব,
প্ৰতিপালৰ খতিয়ান লৈ,
সময়ে জানো কব
মৃত্যু কিয়? কিহৰ বাবে?
পোখৰাণে হয়তো কব
সময়েই দায়ী”।
জিজ্ঞাসু মন,
হে সময়, আৰু নো কিমান?
আয়ে জানো আৰু সহিব?
নিমাতী মোৰ আই –
নিজৰেই চকুপানী নিজেই পিয়ে,
এয়েই আত্ম-সন্তুষ্টিৰ তৃপ্তি।
হয়তো আয়ে আৰু কাহানিও
উচুপি নুঠে-নাকান্দে।



## প্ৰাসঙ্গিক

পংকজ কুমাৰ নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক

যেঁহুজালি—
বাৰুদৰ শব্দত, গৃহযুদ্ধৰ আখৰাত
বতাহত ভাহে
কেঁচা মঙহৰ উগ্ৰ গোন্ধ।
উলঙ্গ দেশ
শ্বহীদৰ স্বপ্ন —উপেক্ষিত
বৃথা আস্ফালন
ৰঙা স্বাধীনতা
শূণ্যতা অথবা পূৰ্ণ্যতা
স্বদেশীয়েই বিদেশী
সংগ্ৰাম মাথো অপৰাধ
এয়াই প্ৰাপ্যতা!
পঞ্চাশখন প্ৰাচীৰৰ সুৰুঙাৰে জুমি দেখো
ফোঁপোলা হাড় – স্বাধীনতাৰ পতাকাৰ স’তে
আসক্তি ধাবিত – নগ্নতা, পঙ্গু সমাজ।
গণতন্ত্ৰৰ উৰুখা পঁজাত
ধৰ্ষিতা ভগ্নীৰ আৰ্তনাদ
ৰাং কুকুৰৰ চিকাৰত
“বিপথগামীহঁতৰ’ (?) কেঁচা ৰক্তৰ চেকুৰা
সুগন্ধি হেৰুৱা স্মৃতিৰ যুগ্ম পাহত
চিনাকি চিনাকি গোন্ধ
হঠাৎ —?
কলমেও কৰিলে বিদ্ৰোহ
নিলিখাৰ –
স্তব্ধ হল কবিতা।
যেন সেমেকা শীতত ঠৰঙা হ’ল
এটি “কবিতা”



## মোৰ জীৱন

হাৰুণ আলি
স্নাতক ২য় বৰ্ষ


মোৰ এই জীৱন সখা
হাৰুন আলি
ঠিক এটি পৰ্বতীয়া জুৰি,
স্নাতক চয় বষ
পাষাণত খুন্দা খাই
বাগৰি বাগৰি যায়
শতেক বন্ধন ভেদি
নিজৰি নিজৰি।

মিঠা তিতা বেদনাৰ ঢৌ
কত উঠে কত মাৰ যায়,
বাতৰি লওঁতা সখা
কোনো ক’তো নাই।
সৌ যে দেখিছা তুমি
পাহাৰ-ক’লা শিলৰ পাহাৰ,
পৰাণৰ সুৰ মোৰ
তাতে বাজে গ’ই
জগতত পৰাণ নাপাই,
পাই জানো হৃদয় তোমাৰ?

## সন্ধিঃক্ষণত

প্ৰাঞ্জল জ্যোতি নাথ
স্নাতক ১ম বাৰ্ষিক

মই কাৰ সতে জীয়াই থাকিম
মৃত্যুৰ এই সন্ধিঃক্ষণত
মই মানুহ নে এটি শোষিত কংকাল।
সকলোয়ে কয়
পৃথিৱীখন হেনো সেউজীয়া
এতিয়া দেখিছো
পৃথিৱীখন বৰণহীন পখিলা।
মৃত্যুক হাত বাউলী মাতে
বাহ নোপোৱা আশা লহি পৰে
পৃথিৱীৰ নঙঠা দেহত।
নগ্ন পৃথিৱীয়ে
বিন্ধিবটো পাৰে
সভ্যতাৰ এখনি নীলা চাদৰ
মৃত্যুৰ এই সন্ধিক্ষণত।



## প্ৰেমৰ এটি স্তৱক

স্নাতক দ্বিতীয় বাৰ্ষিক
নুৰদা বেগম

তোমাৰ হাতত তুলি দিলো
সংগোপনে
মোৰ কবিতাৰ কোমল শব্দ
আজলি ভৰাই দিলো
মৰমৰ একাজলি ফুল
নকওঁ বুলিও কিয় জানো কলো তোমাক
মনৰ গুপুত কথা।

## Historical Development of Abnormality

***Deka Hemjyoti***
Lect. Department of
Education

Like every branch of knowledge abnormal psychology has grown from magic to science through religion. The earliest notions of Abnormal behaviour were that it was caused by witches and spirits. Though authentic cases of psychotic and neurotic behaviour have not been recorded in history their mention in the literature of olden times shows that the problem of Abnormal behaviour was always there and the plea that it is due entirely to modern industrialized ways of life is not quite tenable. The literature of several countries is full of examples of Abnormal behaviour of many kinds.

For one thing is ancient society in all countries the conditions were such as to breed mental illness. Discipline in school, religious places and workspace was much more severe and almost inhuman, the position of women and slaves was very low, they had no freedom and their lives were odes to serfdom, frustration, torture, deprivation and poverty. And all psychologists are agreed that these are just the type of conditions which breed mental illness. Religion in the middle age was whole sale repression on young people and severe punishment they had to suffer for very slight faults must have had a very unhinging effect on their mind.

Atleast for one practical consideration that the ancient beliefs and practices have to some extent inspired our modern concepts of understanding, diagnosing and treating abnormal behaviour and that the latter, are a development of what people thought and did in the past, a study of the historical development of Abnormal psychology through the foregoing centuries is called for. It may not only give us insight but also indicate the direction in which psychology and psychiatry have been moving in the past.

**The Primitive approach :**

Primitive thinking was very different from the scientific thinking of today. While today we look out for causes and laws of their working the primitive resorted to magical animism that all things and living organism move by virtue of the spirit dwelling in them,all movement is caused by the spirits or soul, even inanimate objects like stones and tools have souls which move then about. The primitive mind must have been exercised by meeting old buried people in dreams and the



phenomenon was explained by spirits coming back to visit them.

**Ancient Civilization :**

In most of the ancient civilizations the belief that the insane and abnormal people are possessed by demons persisted and the type of treatment they suggested aimed at getting rid of the demon. A Greek physician Hippocrates who has been called the father of Modern Medicine, denied the influence of demons in causing mental disease and insisted that mental ailments had natural causes and must be treated like other illness. He was the first to stress that brain is a seat of intellectual activities and mental illness is due to some disturbance in the brain, and that injury to brain may cause sensory and mental disorder and that some mental disease is due to heredity. He classified mental disorders into mania, melancholia and phrenitis. For the treatment of Melancholia he prescribed complete rest, aquite and peaceful life, vegetable diet, mind exercise and avoiding excesses in all forms. This was a revolutionary idea and indeed Hippocrates was far ahead of his time.

**Middle Age :**

The Middle Ages saw the rise and spread of Christianity and complete eclipse of the few positive discoveries of Greek Science. Christian dogma ruled all thinking, all behaviour was considered to have been caused by the God given soul. Demonology explained all abnormal behaviour, only the demon was replaced by the Devil. All treatment of mental disorders consisted in measures by which the devil could be coaxed out of the body. In the beginning treatment consisted of prayer, holy-water, sanctified ointments, the breath of priests, visit to holy places, touch to holy relics. But these measures were in the belief that the devil must be punished and humiliated, insulted and disgraced.

**Protesting skeptics and humanitarians :**

In the latter half of the 16th century some eminent medicalmen, thinkers and even priests began to question the validity of Satanic possession of the mentally ill persons. It was a great risk as the state backed such fanatical beliefs and all those who question them were punished with death by burning. Even then intellectuals like Jahann Weyer and Reginald Scott did expose the fallacies of witch craft and demonology. He recognised that the first step in the treatment is changing the environment and making it more congenial. This humanitarian approach spread to England under the leadership of William Tuke and hospitals for mental patients

began to be built. The movement spread to other civilized countries and though it did not mean any progress in the scientific study and treatment of mentally disturbed people it offered them more humane and gentle treatment.

**The Somatogenic View :**

Gradually beliefs in Satan's possession of the abnormal person were replaced by a more rational and scientific view that mental abnormality is a definite disease which may be traced to brain pathology. This view is called somatogenic. Even today many psychiatrists hold that brain injury is the only cause of all mental disorders.

This viewpoint raised hopes that soon brain pathologies for the several forms of psychosis would be discovered. But any student of psychology will see that all this was only half the truth and that the mental side had been ignored. Such disorders were also a psychological problem. But the psychology of the 18th and 19th centuries was too naive and old fashioned to provide a helping hand in the diagnosis and treatment of mental discoveries.

**The psychogenic viewpoint :**

In the beginning of this century psychology was still in its infancy and had not yet developed into a well-defined science. Though psychologists were working hard in this direction the psychogenic viewpoint was established through the study of hypnosis and hysteria. Fortunately these studies were made before the World War I and numerous cases of mental sickness were treated psychologically.

Before we take up the development of this whole and synthetic point of view let us trace developments in the study of hypnosis and hysteria which ultimately established the psychogenic viewpoint. At Nancy, in France Lieubault continued to practise hypnotism in medical treatment. Another doctor at Nancy, Bernheim along with Lieubault developed the idea of hypnotism and hysteria were related and that they both were due to suggestion. Charcott a well-known neurologists opposed them but in this controversy the psychogenic viewpoint received great attention and was firmly established. It began to be generally recognized that mental illness is psychologically caused and research was directed at uncovering the psychological factors in morbid anxiety, phobia and other mental disorders.

*****



# Chritopher Marlowe And His Genius.

*Deka Mahesh*
**T.D.C 2nd year**

It may be said that the highest glory of Elizabethan literature lies in drama. The growth of national spirit and the establishment of the permanent theatres opened up immense possibilities for a group of dramatists who are known as " The University wits" And among these "University wits" we find two famous, enthusiastic dramatists whom we know as Christopher Marlowe and Thomas Kyd.

Christopher Marlowe was the predecessor of Shakespeare. He was born in 1564, only a few months before Shakespeare was born. The name of the town where he was born is Canterbury. His father was a poor shoe maker. He was educated at the town grammar school and them at the University of Cambridge, with the help of a patron. He graduated at the age of nineteen, and then he went to London where he became an actor. He died in 1519, when he was only twenty nine. Marlowe liked to live in a low tavern atmosphere. And that is the cause of his untimely death. He died in an inn at the hands of a drunkard. His untimely death is an irreparable loss to English drama.

Marlowe produced his first play, <u>Tamberlaine,</u> at the age of twenty three,which brought him instant recognition. Then, within five years, he produced another three plays <u>Doctor Faustus,</u> <u>The Jew of Multa,</u> and <u>Edward II</u> and proved his talents as a dramatist.

In 1587 Marlowe's first play <u>Tamberlaine</u> was produced. The play is in two parts. Timur, the hero of the play, is a shepherd who first rebels and then triumphs over the Persian king. Intoxicated by power, Timur rushes like a tempest over the whole east, seated on his chariot drown by captive kings, with a caged emperor before him, he boasts of his power which overrides all things. But none can escape from death. Timur also died at last.

The first part of the play shows the irresistible strength of Timur. Further it shows the portrayal of his love. Like over coming kingdom, he was not facing any resistance in the case of love either. He gains the love of Jenocrat, none can resists him. He expresses his love to Zenocrate, by putting a crown on her head.

In his next play, Doctor Faustus, published in 1588, Marlowe took the subject of the thirst for knowledge, and the power resulting from it. Faustus, the hero of the play, is a scholar who longs for infinite knowledge, and who turns from Theology, Philosophy, Medicine and Law, the four sciences of the time, to the study of magic. Faustus wishes to be all powerful in the world. Therefore he turns to magic, ignoring strict Christian ethics so that he might become all powerful in the world through magic. He gets some inspiration from Valdes and Cornelius, two notorious magicians to learn magic, and then he is able to call up Mephistophilis, the Devil's agent on earth. He is warned by the good Angel that he would incur the wrath of God and suffer eternal damnation for his unholy pact with the Devil. But Faustus is "made of stern staff"; he signs a contract with the Devil by which he would get twenty four years of pleasures and power at the cost of his body and soul. Faustus is disillusioned by Mephistophilis's refusal to provide him with a wife and answer questions about who made the universe, but learns the secret of astronomy and cosmography with the help of his magic power. Then he plays some childish tricks; being invisible he snatches away food and drink from the Pope's hands, punishes a sceptical knight and tricks a horse-courser. He then satisfies the Duke and the Duchess of Venholt by his magic performance. Now the term of the bargain is about to expire and Faustus returns to Wittenburgh to face the final hour. The good and Evil Angel begin buzzing in his ears -- the former askes him to repent while the latter urges him to go forward in his study of black magic. The old man exhorts him to repent and return to the world of Christianity. But his heart is hardened, he cannot repent though he tries do it. Faustus askes Mephistophilis to conjure the Hellen of Troy, whom he had a little earlier conjured to satisfy his fellow scholars and student of Wittenburgh. This time Hellen is called "glut" Faustus's heart's desire. Faustus has sexual intercourse with Hellen who is a saceuba and thus commits the sin of demoniality which is unpardonable in Christianity. Finally Lucifer and the fellow Devils appear to claim Faustus's soul. Faustus is filled with despair and remorse as he prepares himself to die perpetually.

The Jew of Multa, Marlowe's third play is a study of the lust for wealth, centers about Barabas, a terrible old money lender, strongly suggestive of Shylock in The



Merchant of Venice. Barabas is checked in his murderous career by falling into a boiling cauldron which he had prepared for another, and dies blaspheming, his only regret being that he has not done more evil in his life.

Marlowe's last play Edward II, is a tragic study of a king's weakness and misery. The play is one of the best tragedies on national history which provided the model for Shakespeare's Richard III. Edward II is a weak king. He is very fond of his friend Godestin which is the cause of dissatisfaction of Queen. Being dissatisfied, the Queen killed king by her lover young Mortimer. The Murder scene of the king is poignantly pathetic.

To sum up, it should be acknowledged that Marlowe did a great service to English drama by writing such plays as Doctor Faustus and The Jew of Multa. He raised the subject matter of drama to a higher level, he gave life and reality to the characters, he gave unity to drama hither to lacking. He determined the appropriateness of blank verse in serious dramatic dialogue and explored its immense possibility.

**Bibliography**.


(i) English Literature: Its History and significance by W.J. Long.

(ii) A short History of English Literature by Emile Legouis.

(iii) Doctor faustus by Marlowe

(iv) Edward- (II) by Marlowe.

## A Thirsty Heart

Saharia Kanan
T.D.C. 2nd year

*I want to keep*
*A 'JASMINE*
*In my little grove*
*For 'you'*
*O' ! air-water-land*
*help me, help*
*or I fail*



## An Unwritten Poem

Kumar Suresh
T.D.C.2nd Year

*Spring comes and goes*
*And I am roaming in the world*
*But not a single poem is there*
*As a lovely Present to you*
*From my pen.*
*You search for me*
*Examine and criticise me*
*yet you wish a poem*
*of my ideology.*
*Dried up in me*
*that river,*
*That valley which gets*
*The spirit of youth*
*By the wave of your smile.*
*Chronology of blood and tears have*
*Flavoured me more*
*A poem to you therefore*
*Hasn't been written.*
*Still are you waiting for me?*
*An imagery beats my heart and Brain.*
*For you again and again*
*in an unwritten poem.*

# Feelings

Sarma Babimani
T.D.C. 2nd year



Your speech is a pulse in me
Your Glance is my spirit
You may not think so
It is my true feeling
World you kindly hold the light
I like to tread the path of Life
May be, I am trifle in your eyes
Your heart alone can make me rise.

# A Gloomy Moment

MANTU HAZARIKA
T.D.C 2ND YEAR
(COLLECTED FROM WALLMAGAZINE
2ND ISSUE SESSION 97~98)



*I fainted surprisingly,*
*when I got her*
*betrothed*
*They got perplexed at such*
*my state*
*I thought to myself,*
*"No one can be Charmed by my*
*inner feelings,*
*My life isn't perhaps a charmed one"*
*But,*
*When I came to myself*
*They seemed to have comprehended*
*Having thought a while,*
*And I was appeased*
*Then, I cheered and put a curse*
*On my inner feelings*
*And I berated myself.*

## ছিপাঝাৰ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি ১৯৯৭-৯৮ বৰ্ষ



**বহি বাওঁফালৰ পৰাঃ** অধ্যাপিকা মালিনী নায়াৰ (সদস্যা) অধ্যক্ষ ৰেৱণ চন্দ্ৰ নাথ (সভাপতি) অধ্যাপক ৰামচন্দ্ৰ ডেকা (সদস্য) অধ্যাপক মুকুল কুমাৰ চহৰীয়া (তত্ত্বাৱধায়ক)

**থিয় হৈ বাওঁফালৰ পৰাঃ** অজিত কুমাৰ শৰ্মা (সম্পাদক) সমৰেন্দ্ৰ কলিতা (সদস্য) দীপ্তি দেৱী (সদস্যা) জুৰি ৰাণী চহৰীয়া (সদস্যা) বিপুল ডেকা (সদস্য) কল্প ডেকা(সদস্য)

## মহাবিদ্যালয়ত সেৱা প্ৰদান কৰি থকা শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী বৃন্দঃ



মাটিত বহি বাওঁফালৰ পৰা ক্ৰমেঃ সৰ্বশ্ৰী নবীন বড়া (চকীদাৰ) মহেন্দ্ৰ শৰ্মা(পিয়ন) কমীৰাম শইকীয়া(চকীদাৰ) মঃ দিলচাহ আলি (চকীদাৰ) মনিন্দ্ৰ বৰা (চকীদাৰ) ৰেৱকান্ত ডেকা (লাইব্ৰেৰী সহায়ক) হৰেন্দ্ৰ বৰা (চকীদাৰ)

চকীত বহি বাওঁফালৰ পৰা ক্ৰমেঃ মিচেচ্ মিনতি গোস্বামী এম, এ, এম ফিল, প্ৰভা দেৱী- এম, এ, এম ফিল, শ্ৰী চক্ৰপানি ব্যা-এম, এ,এম ফিল, শ্ৰী মহেন্দ্ৰ কটকী-এম, এ,(ডাবল) এম ফিল, বিটি, শ্ৰী কনক চন্দ্ৰ ডেকা-এম এ, শ্ৰী বিদ্যাৰাম নাথ এম, এ (উপাধ্যক্ষ) মিচেচ্ মোহিনী গোস্বামী-এম, এ বিটি, এম ফিল, এল এল বি মিচেচ্ মালিনী নায়াৰ এম, এ, বি,এড, শ্ৰী জয়ন্ত হাজৰিকা-এম, এ (ডাবল) মঃ ইমৰান হুছেইন এম, এ (জেষ্ঠ্য) ড° দিবাকৰ দাস।

থিয় হৈ বাওঁফালৰ পৰা প্ৰথম শাৰীঃ মিচেচ্ গুলতাজ বেগম এম, এ, মিচ মণিকা ডেকা এম, এ, বি, এড, শ্ৰী তীৰ্থ নাথ শৰ্মা এম, এচ, চি শৰিী মদন মোহন নাথ-এম, এ,বি,এড, এল, এল, বি, ড° ৰামচন্দ্ৰ ডেকা, শ্ৰী তিলক ডেকা এম, এ, মঃ ইমৰাণ হুছেইন (কনিষ্ঠ) এম, এ শ্ৰী তৰুণ শৰ্মা এম, এ শ্ৰী তাৰিণী কান্ত শৰ্মা (টিউটৰ) শ্ৰী চন্দ্ৰ চৌধুৰী এম, এ, বি, এড, শ্ৰী অনন্ত বৰুৱা এম, এ শ্ৰী ফণীন্দ্ৰ কুমাৰ নাথ এম, এ, বি, এড, শ্ৰী জণ্টি ৰাম হাজৰিকা এম, এ।

থিয় হৈ বাওঁফালৰ পৰা দ্বিতীয় শাৰীঃ শ্ৰী মুনীন্দ্ৰ কুমাৰ চহৰীয়া- বি এচ চি (নিম্ন বৰ্গ সহায়ক) শ্ৰী প্ৰসন্ন কুমাৰ নাথ এম, এ, এম ফিল, শ্ৰী শৈলেন্দ্ৰ চহৰীয়া এম, এ, বি, এড শ্ৰী টংকেশ্বৰ ডেকা বি,এ (নিম্ন বৰ্গৰ সহায়ক) মঃ মুচা জামান-বি, এ শ্ৰী পদ্মকান্ত হাজৰিকা(উচ্চবৰ্গৰ সহায়ক) শ্ৰী মুকুল কুমাৰ চহৰীয়া এম, এ, বি, এড, শ্ৰী গজেন্দ্ৰ নাথ চহৰীয়া বি, এ,(নিম্ন বৰ্গৰ সহায়ক)



## ছিপাঝাৰ মহাবিদ্যালয় ছাত্ৰ সন্থা
## ১৯৯৭-৯৮ বৰ্ষ



**বহি বাওঁফালৰ পৰাঃ** জয়ন্তী ডেকা (সদস্যা) অজিত কুমাৰ শৰ্মা (সম্পাদক, আলোচনী বিভাগ) ধৰ্মেন্দ্ৰ নাথ (উপসভাপতি) বিপুল ডেকা (সাধাৰণ সম্পাদক) হেমাঙ্গী চহৰীয়া (সম্পাদিকা, সাংস্কৃতিক বিভাগ) নাৰায়ণ শৰ্মা (সহঃ সাধাৰণ সম্পাদক)

**থিয় হৈ বাওঁফালৰ পৰাঃ** ধনমণি বৰুৱা (সদস্য) হেমন্ত চহৰীয়া (সহ সম্পাদক, খেল বিভাগ) প্ৰশান্ত শৰ্মা (সদস্য) আব্দুল আজাদ (সদস্য) অঞ্জন বৰুৱা (সম্পাদক, সমাজ সেৱা বিভাগ) বুবুল শৰ্মা (সম্পাদক তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ)

## মহাবিদ্যালয় সপ্তাহ ঃ
## (১৯৯৭ - ৯৮ বৰ্ষ)



সুৰেশ কুমাৰ
সাহিত্য প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ সাহিত্যিক।



উষা ৰাণী নাথ
শ্ৰেষ্ঠ গায়িকা হিচাপে সমাদৃত এটি নাম।

বছৰৰ শ্ৰেষ্ঠ নাট্যদল



থিয়হৈ বাওঁফালৰ পৰা ক্ৰমে ঃ হৰেকৃষ্ণ শৰ্মা, দিগন্ত শৰ্মা।
বহি বাওঁফালৰ পৰা ক্ৰমে ঃ গৌৰী শৰ্মা, অনুপ ডেকা।




হেমন্ত চহৰীয়া
ল'ৰা শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ।



নিজৰা দেৱী
ছোৱালী শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ।



## মহাবিদ্যালয়ৰ গৌৰৱ



ড° দিবাকৰ দাস

এখেতে "ষষ্ঠ আৰু সপ্তম পাঁচ বছৰীয়া পৰিকল্পনাত বৰপেটা জিলাৰ অনুসূচীত জাতিৰ আৰ্থ-সামাজিক উন্নয়ণ"ৰ ওপৰত গৱেষণা কৰি পি. এইছ. ডি উপাধি লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।



ড° তন্দ্ৰালী চৌধুৰী

এখেতে A socio-economic study of the people of Darrang district, Assam : an anthropogeographical approach (A case study of Chapai Mouza) ওপৰত গৱেষণা কৰি পি. এইছ. ডি উপাধি লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।



দিগন্ত কুমাৰ ডেকা

১৯৯৮ চনৰ ১৮ নবেম্বৰ তাৰিখে বকো জৱহৰ লাল নেহৰু মহাবিদ্যালয়ত অনুস্থিত সদৌ অসম আন্ত মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।



অজিত কুমাৰ শৰ্মা

দেশৰ বিভিন্ন প্ৰান্তত বিশ্বৰ শ্ৰেষ্ঠ কলা যাদু প্ৰদৰ্শন কৰি অহাৰ লগতে সদৌ ভাৰত যাদু মহোৎসৱত '৯৭' যোগ দি "যাদু প্ৰতিভা" উপাধি লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

# মহাবিদ্যালয়ৰ কেইটিমান টুকুৰা স্মৃতি




বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৃষ্ঠপোষকতাত মহাবিদ্যালয় সাহিত্য চ'ৰাৰ লোক-সংস্কৃতি অনুষ্ঠানৰ এটি মূহুৰ্ত।




বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত মহাবিদ্যালয়ত অনুষ্ঠিত আলোচনা চক্ৰৰ এটি মূহুৰ্ত।





১৯৯৭ - ৯৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত আমন্ত্ৰিত মুখ্য অতিথি উচ্চ শিক্ষা বিভাগৰ সঞ্চালক শ্ৰীযুত দিলীপ চৌধুৰীৰ সৈতে মুকলি সভাৰ এটি অংশ।



কটন মহাবিদ্যালয় এন. এচ. এচ গোটৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সহযোগত বানপীড়িত ৰাইজক সাহাৰ্য্য দি থকা অৱস্থাত।



পলয়ংকৰী বানৰ কবলত বুৰ যোৱা মহাবিদ্যালয়ৰ এটি দৃশ্য।